
# শুশ্ৰষাকাৰীৰ বাবে জানিবলগীয়া কথা
# মালতী, এগৰাকী শুশ্ৰষাকাৰী

ক'ভিড-১৯ সম্পৰ্কে ভাৰতীয় বিজ্ঞানীৰ প্ৰতিক্ৰিয়া
এটি স্বেচ্ছাসেৱী গোষ্ঠী

IndiSciCovid

https://indscicov.in/



Indian Scientists' Response to COVID-19

মালতীৰ তেওঁৰ শহুৰেকৰ কাৰণে বৰ চিন্তা হৈছে । তেখেতৰ কিছুদিন ধৰি জৰ আৰু কাহ হৈ আছে । পৰিয়ালৰ সকলোৱে তেখেতৰ কষ্ট অনুভৱ কৰিছে ।তেওঁৰ জীয়েক নিৰ্মলাই এটি চিকিৎসোপযোগী তাপমান যন্ত্ৰৰে নিয়মিতভাৱে তেখেতৰ শৰীৰৰ তাপমাত্ৰা জুখি আছে । নৰেণৰ বৰ মন নাছিল এনে অপ্ৰয়োজনীয় আৰু ব্যয়বহুল তাপমান যন্ত্ৰ কিনাৰ, তেওঁৰ মতে সেই কাম মানুহৰ কপালত হাত দি আৰু স্পন্দন অনুভৱ কৰিয়ে কৰিব পাৰি । নিৰ্মলাই কিন্তু জোৰ দি কৈছিল, "এনেকুৱা কঠিন সময়ত এটা তাপমান যন্ত্ৰ কিনাটো প্ৰয়োজনীয়, ইয়াৰ জৰিয়তে অকল জৰ আছেনে নাই সেইয়া জনাৰ উপৰিও আমাৰ শৰীৰৰ সঠিক তাপমাত্ৰা জানিব পাৰি । চিকিৎসকৰ লগত কথা পাতিলে আমি তেখেতক কিমান সময়ত কিমান তাপমাত্ৰা বাঢ়িল সেইয়া জনাব পাৰোঁ" । তাইৰ ভায়েক হৰেণে নিৰ্মলাই ডাঙৰ মানুহৰ দৰে চিকিৎসকৰ লগত কথা পতা দেখি জোকাইছিল । পিছে মালতী নিজৰ জীয়েকক লৈ বৰ গৌৰৱান্বিত, এজনী ষোল্ল বছৰীয়া ছোৱালীয়ে দেখুওৱা দায়িত্ববোধক লৈ ।


সকলোতে শুনি থকা কথাবোৰৰ পৰা মালতীয়ে বুজি উঠিছিল যে সেই বৃদ্ধ মানুহজন হয়তো সেই "কৰ'ণা" ত আক্ৰান্ত হৈছে যাৰ বাবে সিহঁত সকলোৰে জীৱনলৈ এক স্তব্ধতা নামি আহিছিল । মালতীয়ে আনৰ ঘৰে ঘৰে কাম কৰে, নৰেণে কাপোৰৰ দোকান এখনত দৰ্জীৰ কাম কৰে । সিহঁতে কোনোমতে পৰিয়াল পোহপাল দি আছে, ল'ৰা-ছোৱালী আৰু নৰেণৰ বৃদ্ধ মাক-দেউতাকৰ সৈতে মুঠ ছয়জনীয়া পৰিয়ালটি এটি সৰু ঘৰত থাকে । এটা ডাঙৰ কোঠা, বাটৰ ফালে মুখ কৰি থকা এটা সৰু কোঠা, পিছফালে পাকঘৰ, গাধোৱা ঠাই আৰু এটা



শৌচাগাৰ সহ সকলো এটি ঠেক চাৰিকোণীয়া পৰিসৰত আবদ্ধ, সন্মুখৰ বাটৰ পৰা পিছফালৰ শৌচাগাৰলৈকে । এই পৰিসৰৰ পিচফালে আছে মৰাধল নলা যি বৈ আছে বুলি থিক কব নোৱাৰি, বহু পৰিমাণে অপ্ৰবাহিত আৰু মহৰ জন্মস্থল । কিন্তু মালতীয়ে তথাপিও ধন্য বোধ কৰে যে সিহঁতৰ সুকীয়া শৌচাগাৰ আছে, তাইৰ ভায়েকৰ পৰিয়ালে আন তিনিটা পৰিয়ালৰ সৈতে একেটা শৌচাগাৰকে ব্যৱহাৰ কৰে ।

এতিয়া সিহঁতৰ উপাৰ্জন স্তব্ধ, সামান্যতম জমাধনো শেষ হোৱাৰ উপক্ৰম, লগতে ছয়জনীয়া পৰিয়ালৰ ভৰণ-পোষণৰ বোজা । ইপিনে বৃদ্ধ মানুহজন অসুস্থ আৰু কোনেও নাজানে "কৰ'ণা" ৰ ঔষধ কিনিবলৈ কিমান টকাৰ প্ৰয়োজন হ'ব । তেওঁক চিকিৎসালয়ত ভৰ্তি কৰিবলগীয়া হ'লে কি হ'ব? চৰকাৰী চিকিৎসালয়ত মাচুল দিব নালাগে যদিও তালৈ গৈ থকাজনেহে গম পাব আৰু কি কি খৰচ হ'ব পাৰে ।

কিন্তু সিহঁত চিকিৎসালয়লৈ যাব কেনেকৈ ? কোনোৱে কৈছে এম্বুলেন্স আহি সিহঁতক লৈ যাব, কিন্তু সিহঁতৰ নিচিনা ইমান দুখীয়া মানুহৰ কাৰণে জানো এম্বুলেন্স আহিব, মালতীৰ চিন্তা হয় । তাই কাম কৰা মানুহ এঘৰত এগৰাকী বৃদ্ধা অছে যাক লৈ পৰিয়ালটো চিন্তিত; এম্বুলেন্স নিশ্চয় আহিব তেখেতৰ কাৰণে । যদিওবা শহুৰেকক এম্বুলেন্সত চিকিৎসালয়লৈ নিয়া হয়, মালতীয়ে কেনেকৈ দিনটোত কেইবাবাৰো আহাৰ লৈ যাব শহুৰেকৰ বাবে, যি সময়ত কোনো বাছ নাই চলা । চৰকাৰে তেখেতক নিয়মীয়াকৈ আহাৰ দিব বুলি জানো তাই বিশ্বাস




কৰিব পাৰে ? চিকিৎসালয়ত যি দেখি আহিছে সেইবোৰে তাইৰ মনত এই কথাৰ বিশ্বাস জন্মাব পৰা নাই । সৌভাগ্যক্ৰমে তাইৰ শাহুৰ অসুখ নাই হোৱা, তেওঁ কিছু পৰিমাণে আকোৰগোজ আৰু চিকিৎসালয়ৰ কেন্টিনত পোৱা আহাৰ হয়তো নুচুবই ।

এই জল্পনা-কল্পনাবোৰ দূৰ কৰি মালতীয়ে অকৌ ভাবিৱ ধৰিলে, এই বৃদ্ধ মানুহজনৰ হয়তো "কৰ'ণা" হৈছে, কিন্তু এতিয়া তেওঁ থিকেই আছে, জৰ আৰু কাহ এনেও বছেৰেকত কেইবাবাৰো হয়েই । জৰ নাম মাত্ৰ ১০০ ৰ ওপৰত । তাই ডাক্টৰ পাপৰি ৰ ফোন নম্বৰটো ৰাখি থৈছিল, এতিয়া তাই তেখেতক ফোন কৰিলে । ডাক্টৰ পাপৰিয়ে ধৈৰ্য সহকাৰে মালতীৰ কথাবোৰ শুনিলে আৰু ক'লে যে তাইৰ শহুৰেকক "ক'ভিড (কৰ'ণা)" পৰীক্ষাৰ প্ৰয়োজন, কিন্তু চিকিৎসালয়ত এই পৰীক্ষাৰ বাবে অত্যন্ত ভিৰ আৰু সেয়ে এতিয়াই খৰ খেদা কৰি চিকিৎসালয়লৈ যোৱাৰ প্ৰয়োজন নাই, এদিন অপেক্ষা কৰি চাই লোৱা ভাল হ'ব । ডাক্টৰ পাপৰিয়ে আৰু ক'লে, "দুটা কথা অত্যন্ত জৰুৰী, ৰোগীয়ে এই বেমাৰ কাৰ পৰা পোৱাৰ সম্ভাৱনা থাকিব পাৰে তাৰ উমান লৈ মোক অৱগত কৰা আৰু শহুৰেকক ঘৰতে আচুতীয়াকৈ ৰখাৰ ব্যৱষ্ঠা কৰা " ।

মালতীক কিছু সময় লাগিল আচুতীয়াকৈ ৰখা মানে কি বুজিবলৈ, কিন্তু এতিয়া তাই বুজি নিৰ্মলাক এই বিষয়ে ক'লে

আৰু নিৰ্মলাই সেই নিৰ্দেশনাখিনি এখিলা কাগজত নিয়াৰিকৈ লিখি ল'লে । মালতীয়ে তেওঁৰ শাহুৰো সহায় বিচাৰিলে এই নিৰ্দেশনাখিনি আখৰে আখৰে পালন কৰাত । তেখেতে কিমান দূৰ এই নিৰ্দেশনাখিনি বুজি পাইছে সেইয়া গম



নাপালেও, তেওঁৰ সৰুকালৰ বৰআইৰ স্মৃতি সতেজ আৰু লগতে বৰআইত আক্ৰান্ত পৰিয়ালে সংক্ৰমণ ৰোধ কৰিবলৈ লোৱা পদক্ষেপৰ কথাও মনত আছে, সেয়ে বৰ্তমান হৈ থকা কথাবোৰৰ গভীৰতা উপলব্ধি কৰিছে ।

নৰেণক তেওঁৰ দেউতাকৰ ওচৰলৈ অহা-যোৱা কৰা একমাত্ৰ ব্যক্তি হিচাপে দায়িত্ব দিয়া হৈছে । একমাত্ৰ এজন মানুহ হে

ককাদেউতাৰ ওচৰলৈ যাব পাৰিব । মালতী বহুজনৰ সংস্পৰ্শলৈ আহিব লগা হয়, নিৰ্মলাক চুলিত তেল-ফণি লগোৱাৰ পৰা আদি কৰি তাইৰ আইতাকক ঔষধ যোগান ধৰা, ঘৰৰ সকলোৰে বাবে খাদ্য তৈয়াৰ কৰালৈকে সকলো কাম

তায়েই কৰি আছে । সেয়ে তাই শুশ্ৰষাকাৰীৰ কাম কৰিব নোৱাৰে । সি যি কি নহওক, নৰেণে এই ক্ষেত্ৰত হয়তো সহায় কৰিব, তাৰ দেউতাকৰ কথা যিহেতু । নিৰ্মলাৰ সহায়ত মালতীয়েও এই কথাত যথেষ্ট মনোযোগ দিছে আৰু নৰেণ, তাৰ দেউতাকৰ ওজৰ আপত্তি স্বত্তেও সেই সৰু ঘৰখন যথেষ্ট সলনি হৈছে ।

১। ককাদেউতাকক সন্মুখৰ সৰু কোঠালৈ নিয়া হ'ল । সেইটো নৰেণ আৰু হৰেণৰ ঠাই আছিল, কিন্তু সিহঁতৰ উপায় নাই । এটা পাত্ৰত চাবোন পানী আৰু লগতে এখন সেমেকা কাপোৰ ৰখা হৈছে সেই সৰু কোঠাটোৰ যিকোনো বস্তুৰ পৃষ্ঠভাগ মচিবলৈ । এই দায়িত্ব নৰেণক দিয়া হৈছে । বৃদ্ধজনক কিলাকুটিৰে দুৱাৰ খিৰিকী খুলিবলৈ কোৱা হৈছে । তেওঁ যি ঠাইত হাত দিয়ে, নৰেণক সেই ঠাইডোখৰ চাবোন পানীৰে মচিবলৈ কোৱা হৈছে ।

২। ককাদেউতা সেই আচুতীয়া কোঠাতে থাকে, শৌচাগাৰ যাবলৈহে বাহিৰ ওলায় । তেওঁৰ নিয়মীয়াকৈ তাপমান জোখাৰ যি কাম আগতে নিৰ্মলাই কৰিছিল, সেইয়া এতিয়া নৰেণে কৰে । নৰেণে তাপমান জোখা সময়ত সকলোৰে নিৰাপদ দূৰত্বত থাকে । হৰেণে মজিয়াত ককাদেউতা অহা-যোৱা কৰা পথটো চক পেন্সিলেৰে চিহ্নিত কৰি দিছে আৰু আনৰ বাবে ঘূৰণীয়া চিন দিছে । মালতীয়ে



জানিছিল যে এই চিনবোৰ পিচদিনা মজিয়া মচালেকেহে থাকিব, কিন্তু তথাপিও সেইয়া যে অত্যন্ত জৰুৰী আৰু এই কাম যে সদায় কৰিবলৈ সাজু হ'বৰ হ'ল তাই বুজি উঠিছিল ।

৩। নৰেণে দেউতাকৰ লগত অলপ লাজ কৰি হ'লেও বিশদভাৱে আলোচনা কৰি বুজাই দিলে যে তেওঁ শৌচাগাৰলৈ গ'লে ক'ত ক'ত স্পৰ্শ কৰাৰ সম্ভাৱনা আছে আৰু ওলাই অহাৰ আগেয়ে সেই ঠাইবোৰ মচি আহিবলৈ ক'লে । তাৰ পিছত নৰেণে আকৌ শৌচাগাৰ চাফা কৰে আৰু পৃষ্ঠভাগ চাবোন পানীৰে মচি দিয়ে ।


৪। নৰেণে দেউতাকৰ কাৰণে আহাৰ লৈ আনে । খাই হোৱা পিছত তেওঁ খোজ কাঢ়ি পিছফালৰ হাত ধোৱা ঠাইলৈ যায় কাঁহী বাতিবোৰ মালতীয়ে ৰাখি থোৱা চাবোন পানীৰ পাত্ৰটোত আওখালি থয় । নৰেণে তেখেতে ব্যৱহাৰ কৰা চামোচ বা কাঁহী বাতিবোৰ আকৌ সুকীয়াকৈ ধুই পেলায় ।

৫। ঘৰত কোনো অতিথি সোমাব দিয়া নহয় । ওচৰৰে তৰা আহিছিল যদিও তাইক বাহিৰতে ৰ'ৱলৈ দিয়া হৈছিল আৰু মালতীয়ে বাহিৰলৈ ওলাই গৈ তৰাৰ লগত কথা পাতিছিল ।

পৰিয়ালৰ আন সকলোকে কিছুমান দায়িত্ব দিয়া হৈছিল । ঘৰৰ বাকী দিশবোৰতো চকু দিবলগীয়া যথেষ্ট কথা আছিল:

১। আন এটা চাবোন পানীৰ পাত্ৰ আৰু এখন সেমেকা কাপোৰ পাকঘৰৰ বাহিৰত ৰখা হৈছিল যাতে ঘৰৰ বাকী কোঠাবোৰৰ মজিয়া মচিব পাৰি, হৰেণক এই দায়িত্ব দিয়া হৈছিল ।

২। এদিনত দুবাৰকৈ নিৰ্মলাই ব্লিচিং অৰু ডেটল পানীৰে ঘৰ চাফা কৰে, অকল মজিয়াই নহয়, মেজ আৰু চকীবোৰো মচে ।



৩। সিহঁতৰ সুকীয়া গামোছা আছে, যিবোৰ সদায় ৰ'দত শুকোৱা হয় । মালতীয়ে এই কথা নজৰ ৰাখে যাতে বৃদ্ধজনৰ কাপোৰ সুকীয়াকৈ ধোৱা আৰু শুকোৱা হয় ।

৪। নির্মলাই কাপোৰেৰে ভাঁজ দি মুখা (মাস্ক) বনাইছে, যি সিহঁতৰ সকলোৱে ককাদেউতাৰ ওচৰলৈ গ'লে ব্যৱহাৰ কৰে ।

মালতীয়ে এটি হুমূনিয়াহ কাঢ়ি ভাবিব ধৰিলে, এয়া কঠিন সময় যদিও তাই ভালকৈ প্ৰস্তুত, যদিহে তাই আৰু নৰেণৰ কিছু উপাৰ্জন থাকিলহেঁতেন, সিহঁতে এই পৰিস্থিতিৰ লগত আৰু ভালকৈ মোকাবিলা কৰিব পাৰিলেহেঁতেন ।

তথ্যখিনিৰ প্ৰাসংগিকতা আৰু কেইটামান বিশেষ প্ৰেক্ষাপট উপস্থাপন কৰিবলৈ এই গল্পকেইটা উদাহৰণ হিচাপে তুলি ধৰা হৈছে । ইয়াৰ জৰিয়তে তথ্যখিনি এক সৰল ভাষাত বুজাবলৈ প্ৰয়াস কৰা হৈছে । বিশদ বিৱৰণ আৰু বিজ্ঞানভিত্তিক সত্যতা জানিবৰ বাবে ৱেবচাইটত উপলব্ধ নথি-পত্ৰখিনি অনুগ্ৰহ কৰি পঢ়ে যেন ।

